# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-01-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

- - - - - - - - - - - - - -

সমগ্ৰ ৰাজ্যতে কাইলৈ ব্যাপক উছাহ-উদ্দীপনাৰে ভোগৰ উৎসৱ ভোগালী বিহু পালন কৰা হ'ব। উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত কাইলৈ পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি আশিস লব। ইয়াৰ পাছত অসমীয়া সমাজৰ পৰম্পৰা অনুসৰি জ্যেষ্ঠজনক সেৱা কৰাৰ লগতে কণিষ্ঠজনে আশীৰ্বাদ ল'ব। ভোগালী বিহু উদযাপনৰ লগত সংগতি ৰাখি নামঘৰ আৰু সত্ৰসমূহতো নাম প্ৰসংগ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালী বিহু উপলক্ষে কাইলৈ কণীযুঁজৰ লগতে কণ-কণ ল'ৰা-ছোৱালী, মহিলা আৰু বয়োজ্যেষ্ঠ সকলৰ মাজত বিভিন্ন খেল-ধেমালিৰ আয়োজনৰ বাতৰি আমালৈ আহিছে।

ইফালে, ৰাজ্যৰ বিভিন্ন ঠাইত মাঘ বিহুত পৰম্পৰাগতভাৱে আয়োজন কৰি অহা ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এইবাৰ অনুষ্ঠিত নহয়। কামৰূপ জিলাৰ দণ্ডাধীশে আজি ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত জিলাখনত বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে।

০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মালিগাঁৱৰ বৰিপাৰাৰ তৰুণ সংঘ পুথিভঁৰাল খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জালুকবাৰী সমষ্টিৰ এহেজাৰ ৫১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক বৃত্তিৰ ধন প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই একবিংশ শতিকাৰ প্ৰতিযোগিতা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। ড° শৰ্মাই সমষ্টিটোৰ ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চলোৱা নিৰন্তৰ প্ৰয়াসৰ কথা উল্লেখ কৰি কয়, যে ২০০২ চনৰ পৰাই মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগোৱাৰ উদ্দেশ্যে এই প্ৰয়াস অব্যাহত ৰখা হৈছে। তেওঁ কয়, যে প্ৰতিগৰাকী ব্যক্তিয়ে জীৱনৰ কৰ্মময় সময়ছোৱাৰ উচিত ব্যৱহাৰ কৰি অসাধাৰণ ব্যক্তি হিচাপে উদ্ভাসিত হ'ব পাৰে। নতুন পৃথিৱীৰ নতুন ধ্যান ধাৰণা আহৰণৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়াস কৰিব লাগে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে পৰিশ্ৰম আৰু প্ৰয়াসেৰে নিজৰ সপোনক প্ৰাপ্তি আৰু সিদ্ধিলৈ ৰূপান্তৰ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক আজি আনুষ্ঠানিকভাৱে স্বীকৃতিপত্ৰ প্ৰদান কৰা হয়। ফ্ৰান্সৰ পেৰিছত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত ইউনেস্কোৰ সহকাৰী সঞ্চালকপ্ৰধান আৰনেষ্টো ৰামিৰেজ অট্টন আৰু শ্ৰীলাজাৰ ইলন্দো অস্মোৱে ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাক এই স্বীকৃতিপত্ৰ

আনুষ্ঠানিকভাৱে প্ৰদান কৰে। শ্ৰীবৰাই এই স্বীকৃতিপত্ৰ গ্ৰহণ কৰি  আনন্দ প্ৰকাশ কৰে। তেওঁ কয়, যে চৰাইদেউ মৈদামৰ এই স্বীকৃতিয়ে ৰাজ্যবাসীৰ বাবে নতুন অধ্যয়ৰ সূচনা কৰিলে। আহোম সাম্ৰাজ্যৰ ঐতিহ্য বহনকাৰী মৈদামসমূহ অসমৰ বুৰঞ্জি, সংস্কৃতি আৰু ঐতিহ্যৰ মূল্যবান সমল বুলি উল্লেখ কৰি তেওঁ কয়, যে এই স্বীকৃতিয়ে  উত্তৰ পূৰ্বাঞ্চলৰ পৰ্যটনৰ বিকাশত বিশেষ অৰিহণা যোগাব। মন্ত্ৰীগৰাকীয়ে চৰাইদেউ মৈদাম ক্ষেত্ৰই এই স্বীকৃতি লাভৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

000

ৰাজ্যত অহা মাহত হ’বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষক বিনিয়োগ আৰু আন্তঃগাঁথনি শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত আজি মন্ত্ৰী কেশৱ মহন্তই মালয়েছিয়াৰ উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰৰ কেইবাগৰাকীও প্ৰতিনিধিৰ সৈতে চাৰিখন বৈঠকত মিলিত হয়। বৈঠকৰ পাছত তেওঁ কোৱালালামপুৰত ভাৰতৰ উপ উচ্চায়ুক্ত সুভাষিনী নাৰায়ণনৰ উপস্থিতিত  দেশখনৰ সম্ভাব্য বিনিয়োগকাৰী তথা বাণিজ্য আৰু উদ্যোগ খণ্ডৰে জড়িত বিশিষ্ট ব্যক্তিকলক লৈ আয়োজন কৰা এটা ৰোড শ্ব’ত অংশ লয়। এই ৰোড শ্ব’ত ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যম বিভাগৰ সচিব ড° লক্ষ্মণন এছ্‌, মালয়েছিয়াৰ ভাৰতীয় দূতাবাসৰ বাণিজ্য সচিব ড° অৰবিন্দ, অসমৰ পৰ্যটন সঞ্চালক ৰণোজ বৰকটকীকে ধৰি শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত মালয়েছিয়াৰ ছেমিকণ্ডাক্টৰ খণ্ডৰ আগশাৰীৰ প্ৰতিষ্ঠানৰ সৈতে **ব্যৱসায়ৰ পৰা চৰকাৰলৈ** শীৰ্ষক এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। প্ৰতিটো কৰ্পৰেট প্ৰতিষ্ঠানৰ শীৰ্ষ কাৰ্যবাহীৰ সৈতে সুকীয়াকৈ অনুষ্ঠিত এই বৈঠকত অসমৰ ছেমিকণ্ডাক্টৰ খণ্ডত বিনিয়োগৰ সম্ভাৱনাৰ অন্বেষণৰ দিশত ফলপ্ৰসূ আলোচনা সম্পন্ন হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমহন্তই বিভিন্ন ঔদ্যোগিক খণ্ডৰ প্ৰতিনিধিসকলক অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ’বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণৰ বাবে আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়।

000

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি শুভাৰম্ভ হোৱা মহাকুম্ভ মেলাত অসমৰ মাজুলীৰ লগতে উত্তৰ-পূবৰ কেইবাগৰাকীও পুৰোহিত আৰু সত্ৰাধিকাৰে অংশগ্ৰহণ কৰিছে। মাজুলীৰ আউনীআটি, দক্ষিণপাট আৰু উত্তৰ কমলাবাৰী সত্ৰৰ ভকত-বৈষ্ণৱৰ লগতে ৰাজ্যৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰো এই মেলাত উপস্থিত আছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে সত্ৰাধিকাৰসকলক মেলালৈ আমন্ত্ৰণ জনোৱাৰ লগতে তেওঁলোকক বিশেষ অতিথিৰ মৰ্য্যাদা দিয়া হ’ব বুলি প্ৰকাশ কৰিছে। মাজুলীৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱৰ দলে মেলাৰ অংশ হিচাপে সত্ৰীয়া সংস্কৃতি প্ৰদৰ্শন কৰিব। তদুপৰি, অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নামঘৰকো এই মেলাত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভক্তৰ সন্মুখত প্ৰদৰ্শন কৰা হ’ব।

000

সমাপ্ত